بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৭ জুনত মছজিদ ইছলামাবাদ টলফোৰ্ডত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে আজিৰ পৰা আকৌ বদৰি চাহাবা সকলৰ বিষয়ে উল্লেখ কৰা হব। আজি মই যিসকল চাহাবাৰ বিষয়ে উল্লেখ কৰিম তাৰে প্ৰথমজন চাহাবীৰ নাম হল হজৰত আব্দুল্লাহ বিন তাৰিক (ৰাঃ)। হজৰত মুৱাত্বৰ বিন আবিদ (ৰাঃ) হজৰত বিন তাৰিকৰ বৈপিতৃয় ভায়েক আছিল। হজৰত আব্দুল্লাহ বিন তাৰিক আৰু হজৰত মুৱাত্বৰ বিন আবিদ (ৰাঃ) দুয়োজনেই বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰিছিল। উক্ত দুয়োজন ভায়েকেই ৰাজিৰ ঘটনাৰ দিনা শ্বহীদৰ মৰ্যাদা লাভ কৰিছিল।হজৰত আব্দুল্লাহ বিন তাৰিক সেই ছয়জন চাহাবা আকৌ কোনো কোনো ৰোৱায়েত অনুসৰি দহজন চাহাবা, এজন আছিল, যিসকলক ৰছুলে কৰিম (ছাঃ) য়ে ৩ হিজৰিৰ শেষ ভাগত আজল কবিলা আৰু কাৰাৰ কিছুমান লোকৰ ওচৰত, তেওঁলোকক দ্বীনি শিক্ষা দিয়াৰ নিমিত্তে পঠিয়াইছিল। যেতিয়া এই সকল চাহাবায় গৈ ৰাজি নামৰ ঠাইত উপস্থিত হৈছিল, তাত মক্কা, মদিনা আৰু তায়েফৰ সীমাত এখন নিজৰা আছিল আৰু ঠাইখিনি হজিল কবিলাৰ অধীনস্ত আছিল। উক্ত ঠাইত হজিল কবিলাৰ লোক সকলে আহি  এই চাহাবা সকলক আক্ৰমন কৰিছিল আৰু বিদ্ৰোহ কৰি যুদ্ধ সংগঠিত কৰিছিল। এখেত সকলৰ ভিতৰত সাতজন চাহাবাৰ নাম আছিল ক্ৰমে হজৰত আছিম  বিন ছাবিদ, হজৰত মুৰশিদ আবু মুৰশিদ, হজৰত খাৰিব বিন আদি, হজৰত খালিদ বিন বকিৰ, হজৰত জায়েদ বিন দাছ্না, হজৰত আব্দুল্লাহ বিন তাৰিক,আৰু হজৰত মুৱাত্বৰ বিন আবিদ (ৰাঃ)। এখেত সকলৰ মাজত হজৰত মুৰছিদ (ৰাঃ),হজৰত খালিদ (ৰাঃ), হজৰত আছিম (ৰাঃ), আৰু হজৰত মুৱাত্বৰ বিন আবিদ (ৰাঃ) তাতেই স্বহীদ হৈছিল।হজৰত খবিব (ৰাঃ), হজৰত আব্দুল্লাহ বিন তাৰিক (ৰাঃ) আৰু হজৰত  জায়েদ (ৰাঃ) য়ে অস্ত্ৰ এৰি আত্ম সমৰ্পন কৰিছিল তেতিয়া কাফিৰ সকলে এখেত সকলক বন্দী কৰি লৈছিল আৰু মক্কা অভিমুখে যাবলৈ লৈছিল। তেতিয়া কাফিৰ সকলে জাহাৰান নামৰ ঠাইত গৈ উপস্থিত হৈছিল,  এইখন মক্কাৰ পৰা পাচঁ মাইল মান দূৰত একশূন্য ঠাই আছিল, তেতিয়া হজৰত আব্দুল্লাহ বিন তাৰিক (ৰাঃ) য়ে নিজৰ হাত দুখন বন্দন মুক্ত কৰি তৰোৱাল হাতত লৈ লৈছিল। এনেকুৱা অৱস্থা দেখি মুশৰিকিন সকলে পিছ হুহকি গৈ তেখেত (ৰাঃ) ৰ ওপৰত শিলগুটি দলিয়াবলৈ আৰম্ভ কৰিছিল আৰু অৱশেষত স্বহীদৰ কৰি দিছিল। এখেত (ৰাঃ) ৰ কবৰ জাহাৰানতেই অৱস্থিত আছিল। উক্ত ঘটনাটো হিজৰতৰ ৩৬ মাহ পিছত ছফৰ মাহত সংগঠিত হৈছিল।

ৰাজিৰ এই ঘটনা সম্পৰ্কে হজৰত মিৰ্যা বশিৰ আহমদ চাহাবে লিখিছে যে আঁহজৰত (ছাঃ) য়ে ৪ হিজৰিত দহজন চাহাবাৰ এটা দল  গঠন কৰি হজৰত আছিম বিন ছাবিতক দলটোৰ আমিৰ নিযুক্ত কৰি এয়া আদেশ দিছিল যে তেওঁলোকে গুপ্তভাৱে গৈ কুৰাইছ সকলৰ অৱস্থাৰ গম লৱ। উক্ত দলটো যাত্ৰা কৰাৰ আগমহুৰ্তত গৈ আজল আৰু কাৰা কবিলাৰ কিছুমান লোক আঁহজৰত (ছাঃ) ৰ ওচৰত উপস্থিত হৈছিল আৰু আবেদন জনাইছিল যে তেওঁলোকৰ কবিলাৰ বহুকেইজন লোকে ইছলামৰ ফালে ধাবিত হৈছে। তেওঁলোকে ইছলাম সম্পৰ্কে জানিব, শিকিব বিচাৰে। সেয়ে কেইজনমান লোকক লগত পঠাব লাগে যাতে তেওঁলোকে ইছলাম সম্পৰ্কে ভালদৰে সেই সকলৰ পৰা শিকি বুজি মুছলমান হব পাৰে। এই কথা শুনি আঁহজৰত (ছাঃ) য়ে উক্ত দহজনীয়া দলটোক এই কবিলা দুটাৰ লোক সকলৰ লগত  পঠাই দিছিল। কিন্তু যেতিয়া প্ৰমানিত হৈছিল যে কবিলাৰ লোকসকল প্ৰৱঞ্চক আৰু বণু লিহানৰ বুদ্ধি, চতুৰালি অনুযায়ী মদিনালৈ আহি ৰায়েছ ছুফিয়ান বিন  খালিদ হত্যাৰ প্ৰতিশোধ তুলিবলৈ এই ষড়যন্ত্ৰ ৰচিছে  যে এই অভিনয় কৰি কেইজনমান মুছলমানক মদিনাৰ বাহিৰ উলিয়াই  আনি আক্ৰমণ কৰিব, হত্যা কৰিব আৰু বণু লিহান তেওঁলোকক ইয়াৰ বাবে পুৰষ্কাৰ হিচাপে বহু কেইটা উৰ্চ তেওঁলোকক দিব।

যেতিয়া আজল আৰু কাৰাহৰ এই বিশ্বাস ঘাতক লোক  সকলে আহি আছফান আৰু মক্কাৰ মাজ বাটত উপস্থিত হৈছিল যেতিয়া তেওঁলোকে গোপনভাৱে বণু লিহানক খবৰ দিছিল যে মুছলমানৰ কেইজনমান লোক তেওঁলোকৰ লগত আহি আছে, সেই অনুসৰি তুমি প্ৰতিশোধ লোৱাৰ বাবে আহি যোৱা। এখবৰ পোৱাৰ লগে লগে কবিলা বণু লিহানৰ দুশ ডেকা যাৰ মাজত

এশ আছিল পাকৈত ধনুৰ্দ্ধৰ, মুছলমান সকলৰ পিছ লৈছিল আৰু আহি আহি এই ৰাজি নামৰ ঠাইখনত মুখামুখি হৈছিল। মুছলমান সকলে এয়া দেখি ছেগ বুজি ওচৰতে থকা এখন সৰু পাহাৰৰ ওপৰত উঠি গৈছিল যাতে আক্ৰমন প্ৰতিৰোধ কৰিবলৈ সাজু হব পাৰে। কাফিৰ সকলে যিসকলৰ ওপৰত প্ৰৱঞ্চনা কৰা কোনো গোনাহৰ বিষয় বুলি বোধ নাছিল, তলৰ পৰা মুছলমান সললক মাতিছিল যে তোমালোকে তললৈ নামি অহা, আমি তোমালোকক প্ৰতিশ্ৰুতি দি আছো যে তোমালোকক হত্যা কৰা নহব। তেতিয়া (ৰাঃ) য়ে উত্তৰ দিছিল যে আমি তোমালোকৰ প্ৰতিশ্ৰুতিত বিশ্বাসী নহয়। ইয়াৰ পিছত আছিম (ৰাঃ) য়ে আচমানৰ ফালে চাই কৈছিল যে - হে খোদা ! তুমি আমাৰ অৱস্থা অৱলোকন কৰি আছা, তোমাৰ প্ৰেৰিত ৰছুলক আমাৰ এই পৰিস্থিতিৰ বিষয়ে খবৰ দিয়া। যিয়েই নহওঁক আছিম (ৰাঃ) আৰু তেখেতৰ লগৰীয়া সকলে এই শত্ৰুৰ সৈতে যুঁজি যুঁজি অৱশেষত শ্বহীদ হৈ গৈছিল। তাতেই সাতজন চাহাবাৰ মৃত্যু হৈছিল। কেৱল মাত্ৰ খবিব বিন আদি (ৰাঃ) আৰু জায়েদ বিন দাছনা (ৰাঃ) আৰু আব্দুল্লাহ বিন তাৰিক (ৰাঃ) জীয়াই আছিল। সেই কাফিৰ সকলৰ এয়া ইচ্ছা আছিল যে এই মুছলমান কেইজনক জীৱিত বন্ধী কৰি লব। আকৌ এই কাফিৰ সকলে মাত লগাইছিল যে এতিয়াও সময় আছে, গতিকে তোমালোকে তললৈ বুলি নামি অহা, আমি প্ৰতিশ্ৰুতি দিওঁ যে তোমালোকক কোনো কষ্ট দিয়া নহয়। এইবাৰ উক্ত মুছলমান তিনিজনে সেই কাফিৰ সকলৰ শপত বিশ্বাস কৰি তললৈ নামি অহাৰ লগে লগে তেখেত সকলক তীৰ, কামানৰ ৰছীৰে বান্ধি পেলাইছিল। তেতিয়া এই চাহাবা সকলে কৈছিল যে এয়া হল তোমালোকৰ প্ৰতাৰণা আৰু নাজানো তোমালোকে ভৱিষ্যতলৈ আৰু কি কৰিবা ? আব্দুল্লাহ বিন তাৰিক (ৰাঃ) য়ে সেই কাফিৰ সকলৰ লগত যাবলৈ অস্বীকাৰ কৰিছিল সেয়ে সেয়ে কাফিৰ সকলে তেখেতক জোঁৰ পূৰ্বক চোঁচৰাই লৈ গৈছিল আৰু পিছত হত্যা কৰি তাতেই পেলাই থৈ গৈছিল। আনটো ৰোৱায়েত মতে আব্দুল্লাহ বিন তাৰিক (ৰাঃ) য়ে নিজৰ হাতৰ বন্ধন খুলি পেলাই অস্ত্ৰ হাতত তুলি লৈছিল কিন্তু কাফিৰ সকলে তেখেতক পাথঁৰ নিক্ষেপ কৰি শ্বহীদ কৰি পেলাইছিল। খাবিব আৰু জায়েদ (ৰাঃ) ক মক্কালৈ আনি কুৰাইছ সকলৰ ওচৰত বিক্ৰী কৰি দিছিল। হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে - যিয়েই নহওঁক হজৰত আব্দুল্লাহ বিন তাৰিক (ৰাঃ) য়ে কাফিৰ সকলৰ লগত যাবলৈ অস্বীকাৰ কৰিছিল আৰু তাতেই লড়াই কৰি শ্বহীদ হৈ গৈছিল।

ইয়াৰ পিছত আন এজন চাহাবী আছিল হজৰত আকিল বিন বকিৰ (ৰাঃ)। হজৰত আকিল (ৰাঃ) ৰ কবিলা বণু ছাআদ বিন লিছৰ লোক আছিল। হজৰত আকিল (ৰাঃ) ৰ প্ৰথমে নাম আছিল গাফিল কিন্তু যেতিয়া তেখেতে ইছলাম গ্ৰহন কৰিছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে তেখেতৰ নাম সলাই আকিল ৰাখি দিছিল। এখেত (ৰাঃ) ৰা দেউতা বকিৰ সেই অজ্ঞ যুগত হজৰত উমৰৰ আজু ককা নাফিল বিন আব্দুল আজাৰ বন্ধু আছিল।এনেদৰে বকিৰ আৰু তাৰ পুত্ৰ সকল বন্ধু নফিলৰ বন্ধু আছিল। হজৰত আকিল, হজৰত আমৰ, হজৰত আয়াজ আৰু হজৰত খালিদ এওঁলোকে চাৰি ভাই ককাই আছিল। এখেত সকলে একেলগে দ্বাৰে আৰকামত ইছলাম গ্ৰহন কৰিছিল আৰু তেওঁলোকেই দ্বাৰে আৰকামত সৰ্ব প্ৰথম ইছলাম গ্ৰহন কৰা লোক আছিল। হজৰত আকিল, হজৰত খালিদ, হজৰত আমৰ আৰু হজৰত আয়াছ (ৰাঃ) য়ে মক্কাৰ পৰা মদিনালৈ হিজৰত কৰাৰ সময়ত তেওঁলোকৰ সকলো পুৰুষ-মহিলা একেলগ হৈ হিজৰত কৰিছিল, এনেকি তেওঁলোকৰ ঘৰ জনশূণ্য হৈ পৰিছিল। এওঁলোক সকলোৱে মদিনালৈ আহি হজৰত ৰুফাআ বিন আব্দুল মনজৰৰ ঘৰত আশ্ৰয় লৈছিল। আঁহজৰত (ছাঃ) য়ে হজৰত আকিল আৰু হজৰত মুবাশ্বিৰ বিন আব্দুল মনজৰৰ মাজত ভাতৃ সম্পৰ্ক পাতি দিছিল। এওঁলোক দুয়োজনেই বদৰৰ যুদ্ধত শ্বহীদ হৈ গৈছিল। হজৰত আকিল (ৰাঃ) ৰ ৩৪ বছৰ বয়সত বদৰৰ যুদ্ধত শ্বহীদ হৈছিল। এখেত ৰাঃ ৰ মালিক বিন জহিৰ জুশামিয়ে শ্বহীদ কৰিছিল। ইবনে ইছহাক বৰ্ণনা কৰিছে যে হজৰত আকিল, হজৰত খালিদ, হজৰত আমৰ, আৰু হজৰত আয়াছ এই চাৰি ভায়েকৰ বাহিৰে আন কোনো চাৰি ভাই একেলগে বদৰৰ যুদ্ধত অংশগ্ৰহন কৰা বুলি মই নাজানো।

জায়েদ বিন আছলাম বৰ্ণনা কৰিছে যে আবু বকিৰৰ পুতেক সকলে এবাৰ আঁহজৰত (ছাঃ) ৰ ওচৰত উপস্থিতি হৈ আবেদন জনাইছিল যে - ইয়া ৰছুলুল্লাহ (ছাঃ) আমাৰ ভনীয়েক জনীক অমুক ব্যাক্তিৰ সৈতে বিয়া সম্পন্ন কৰি দিয়ক। আঁহজৰত (ছাঃ) য়ে প্ৰশ্ন কৰিছিল যে বিলালৰ সম্পৰ্কে তোমালোকৰ মতামত কি ? কিন্তু এওঁলোকৰ বিলাল (ৰাঃ) ৰ ওপৰত আস্থা নাছিল, সেয়ে এওঁলোকে উভতি গৈছিল। দ্বিতীয়বাৰ এওঁলোকে আকৌ আহি আঁহজৰত (ছাঃ) ৰ ওচৰত আবেদন কৰিছিল যে ইয়া ৰচুলুল্লাহ আমাৰ ভনীয়েকক অমুক ব্যাক্তিৰ লগত বিয়া পাতি দিয়ক। তেতিয়াওঁ আঁহজৰত (ছাঃ) সুধিছিল যে বিল্লালৰ প্ৰতি তোমালোকৰ অভিমত কি ? এই কথা শুনি এওঁলোকে আকৌ উভতি গৈছিল। তৃতীয়বাৰ আকৌ এওঁলোকে

আঁহজৰত (ছাঃ) ৰ ওচৰত আবেদন জনাইছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) আমাৰ ভনীয়েক জনীক অমুক ব্যাক্তিৰ লগত বিয়া পাতি দিয়ক। তেতিয়াও আঁহজৰত (ছাঃ) য়ে সুধিছিল যে বিল্লালৰ প্ৰতি তোমালোকৰ কেনে ধাৰণা ? তেখেত (ছাঃ) য়ে আৰু কৈছিল যে এনেকুৱা ব্যাক্তি সম্পৰ্কে তোমালোকৰ ধাৰণা কি যিজনে জান্নাতৰ অধিকাৰী ? তেতিয়া এওঁলোকে হজৰত বিল্লাল (ৰাঃ)ৰ সৈতে নিজৰ ভনীয়েকৰ বিয়া সম্পন্ন কৰি দিছিল।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম আছিল হজৰত জায়েদ বিন হাৰছা (ৰাঃ)। এখেত (ৰাঃ) ৰ দেউতাকৰ নাম আছিল হাৰছা স্বৰহিল ওৰফে হাৰছা বিন স্বৰ হাবিল। এখেত (ৰাঃ) ৰ বণু কজাআতা কবিলাৰ লোক আছিল। হজৰত জায়েদ (ৰাঃ) ৰ লৰালিতে মাকে তেখেতক লগত লৈ দেউতাকৰ ঘৰলৈ গৈছিল। সেই ফালেদি বণু কায়েণৰ লোক গৈ আছিল। সেই ভ্ৰমনৰ সময়ত বাহৰ পাতি থকা অৱস্থাত তেওঁলোকৰ তম্বুৰ সন্মুখৰ পৰা বণু কায়েণৰ লোক সকলে হজৰত জায়েদ (ৰাঃ) ক উঠাই লৈ গুচি গৈছিল আৰু আওকাজ নামৰ বজাৰ এখনত দাস হিচাপে হেকিম বিন হিজামৰ ওচৰত চাৰিশ দিৰহাম মূল্যত বিক্ৰী কৰি দিছিল। হেকিম বিন হিজাম এখেত (ৰাঃ) ক তাৰ পেহীয়েক হজৰত খাদিজা বিনতে খোয়েলিদৰ ওচৰত ওচৰত ৰাখিছিল। পিছত হজৰত খাদিজা (ৰাঃ) য় নিজৰ সকলো দাসৰ সৈতে হজৰত জায়েদ (ৰাঃ) য়ে হেৰাই যোৱাত তেখেতৰ দেউতাকৰ শোক বিহবলত দিন পাৰ হৈছিল। ইয়াৰে কিছুমান পিছত বণু কালিব গোত্ৰৰ কিছুমান লোকে হজ্বৰ নিমিত্তে মক্কালৈ আহি হজৰত জায়েদক দেখি চিনি পাইছিল। হজৰত জায়েদ (ৰাঃ) য়ে সেই লোক সকলক কৈছিল যে আপোনালোকে মোৰ আত্মীয় সকলক মোৰ বিষয়ে কব যে মই খানা কাবাৰ ওচৰত বণু মুৰাদৰ এজন চহকী বংশৰ লোকৰ ঘৰত থাকো। গতিকে তেওঁলোকে যেন কোনো চিন্তা নকৰে। বণু কালিবৰ লোক সকলে ওভতি গৈ হজৰত জায়েদৰ দেউতাকক এই খবৰ দিছিল। তেতিয়া হাৰছা বিন স্বৰহাবিলে কৈছিল যে কাবাৰ সৃষ্টি কৰ্তাৰ কছম ! সচাকৈয়ে তেওঁ মোৰ পুত্ৰ হয়নে ? তেতিয়া লোক সকলে জায়েদৰ দৈহিক গঠন সম্পৰ্কে জনাইছিল।এয়া জনাৰ পিছত হজৰত জায়েদৰ পিতৃ হাৰছা আৰু খুৰা কাআব মক্কালৈ যাত্ৰা কৰিছিল। আহি আহি আঁহজৰত (ছাঃ) ৰ ওচৰত উপস্থিত হৈ ফিদিয়াৰ বিনিময়ত হজৰত জায়েদৰ মুক্তিৰ আবেদন কৰিছিল। তেতিয়া আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদক মাতাই আনি তেখেতৰ মতামত শুনিছিল। কিন্তু হজৰত জায়েদ (ৰাঃ) য়ে নিজৰ পিতৃ আৰু খুৰাদেউৰ লগত উভতি যাবলৈ সন্মত হোৱা নাছিল। উক্ত ঘটনাখিনি হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে এনেদৰে বৰ্ণনা কৰিছে যে - যেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে এয়া ঘোষনা কৰিছিল যে মই সকলো দাসক মুক্ত কৰি দিলো, তেতিয়া সকলো দাসেই বিদায় লৈ গুচি গৈছিল কেৱল হজৰত জায়েদ বিন হাৰছা ৰৈ গৈছিল, যিজনে পিছত তেখেত (ছাঃ) ৰ পুত্ৰ বুলি জনাজাত হৈ পৰিছিল। হজৰত জায়েদ (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ ওচৰত আহি কৈছিল যে আপুনি মোক মুক্ত কৰি দিছে কিন্তু স্বাধীন হব নিবিচাৰো, মই আপোনাৰ ওচৰতেই থাকিম। তেখেত (ছাঃ) য়ে কৈছিল তুমি নিজৰ ঘৰলৈ যোৱা আৰু আত্মীয় সকলৰ লগত মিলি যোৱা। এতিয়া তুমি স্বাধীন হৈ গৈছা। কিন্তু হজৰত জায়েদ (ৰাঃ) য়ে আবেদন জনাইছিল যে যি প্ৰেম আৰু পবিত্ৰতা মই আপোনাৰ মাজত দেখিবলৈ পাইছো, তাৰ বাবেই আপুনি মোৰ ওচৰত সকলোতকৈয়ো প্ৰিয়। হজৰত জায়েদ (ৰাঃ) এজন সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান আছিল। কিন্তু সৰু কালতেই তেখেতক ডকাইতৰ দল এটাই অপসৰণ কৰি লৈ আনি বিক্ৰী কৰি দিছিল। এনেদৰে তেখেতে ঘুৰি ঘুৰি আহি খাদিজা (ৰাঃ) ৰ ওচৰ পাইছিলহি। এখেত (ৰাঃ) ৰ দেউতা আৰু খুৰাদেৰে বিচাৰি বিচাৰি আহি আঁহজৰত (ছাঃ) ৰ ওচৰত উপস্থিত হৈছিল আৰু কৈছিল আমি আপোনাৰ সজ আচৰণ আৰু দয়াৰ বিষয়ে শুনি আপোনাৰ কাষলৈ আহিছো। আপোনাৰ অধীনত আমাৰ লৰা দাস হিচাপে আছে। তাক এৰি দিবলৈ আমাৰ পৰা আপুনি যি মূল্য বিচাৰিব তাকে দিবলৈ আমি সন্মত আছো আপুনি তাক মুক্তি কৰি দিয়ক। ৰছুলুল্লাহ (ছাঃ) য়ে উত্তৰ দিছিল যে আপোনাৰ লৰা মোৰ দাস নহয়, মই তাক মুক্তি কৰি দিছো। তাৰ পিছত আঁহজৰত (ছাঃ) য়ে হজৰত জায়েতক মতাই আনি, কৈছিল যে তোমাৰ পিতৃ আৰু খুৰাকে তোমাক নিবলৈ আহিছে, মই তোমাক মুক্ত (স্বাধীন) কৰি দিছো। এতিয়া আৰু তুমি দাস নহবা গতিকে তেওঁলোকৰ লগত যাব পাৰা। হজৰত জায়েদ (ৰাঃ) য়ে উত্তৰ দিছিল যে আপুনি মোক মুক্ত কৰি দিছে কিন্তু মই মোৰ স্বাধীনতা নিবিচাৰো, মই নিজকে নিজে আপোনাৰ দাস বুলি ভাবো। তেখেত (ছাঃ) য়ে আকৌ জায়েদক কৈছিল যে তোমাৰ বৰ দুখ, শোকত ৰৈ আৰু চোৱা তোমাৰ পিতৃ আৰু খুৰা কিমান দূৰৰ পৰা কষ্ট কৰি তোমাক নিবলৈ আহিছে। তুমি এওঁলোকৰ লগত ঘৰত যোৱা। হজৰত জায়েদ (ৰাঃ) ৰ দেউত খুৰাই বহুত বুজাই কলে তথাপি হজৰত জায়েদ (ৰাঃ) য়ে তেওঁলোকৰ লগত যাবলৈ অস্বীকাৰ কৰিলে আৰু কলে যে নিশ্চয় আপোনালোকে মোৰ

দেউতা ,খুৰা হয় আৰু মোৰ প্ৰতি আপোনালোকৰ মৰম, চেনেহ আছে কিন্তু যি সম্পৰ্ক এতিয়া মোৰ তেখেত (ছাঃ) ৰ লগত গঢ়ি উঠিছে, সেয়া এতিয়া আৰু ভাঙিব নোৱাৰিম। মই তেখেত (ছাঃ) ৰ পৰা পৃথক হৈ জীয়াই থাকিব নোৱাৰোঁ। যেতিয়া হজৰত জায়েদে এনে কথা কৈছিল তেতিয়া তেখেত (ছাঃ) য়ে খানা কাবালৈ গৈ ঘোষনা কৰিছিল য়ে আজি হজৰত জায়েদে ভালপোৱাৰ যি চানেকি দেখুৱাইছে, তাৰ কাৰণে তেওঁ আজিৰ পৰা মোৰ পুত্ৰ স্বৰূপ। এই ঘটনা চাই হজৰত জায়েদৰ দেউতা আৰু খুৰা বৰ আনন্দিত হৈছিল আৰু জায়েদক এৰি গুচি আহিছিল। কাৰণ এওঁলোকে দেখিছিল য়ে হজৰত জায়েদ সুখ, শান্তিত জীৱন যাপন কৰি আছে। মুঠতে এয়া মহম্মদ ৰছুলুল্লাহ (ছাঃ) ৰ পূৰ্ণ পবিত্ৰ চৰিত্ৰৰ প্ৰমান যে তেতিয়া হজৰত জায়েদে তাৰ আনুগত্য প্ৰকাশ কৰিছিল তেতিয়া তেখেত (ছাঃ) য়ে অসাধাৰণ সহানুভূতিৰ প্ৰমান দাঙি ধৰিছিল।

উক্ত ঘটনা সম্পৰ্কে “ছিৰাত খাতামান্নাবীঈন” পুস্তকত আৰু বিতং তথ্যৰ উল্লেখ পোৱা যায়। উল্লেখ আছে যে আঁহজৰত (ছাঃ) য়ে কৈছিল যে এওঁ মোৰ ওয়াৰিছ হব, আৰু মই তেওঁৰ ওৱাৰিছ হম। সেই দিনাৰ পৰা হজৰত জায়েদক, জায়েদ বিন মহম্মদ বুলি কবলৈ ধৰা হৈছিল। কিন্তু হিজৰতৰ পিছত খোদা তায়ালাৰ পৰা এই আদেশ অৱতীৰ্ণ হৈছিল যে মুখেৰে কাকো পুত্ৰ বনাই লোৱা জায়েজ নহয়। তেতিয়া আকৌ জায়েদক নাম ঘূৰাই জায়েদ বিন হাৰছা বুলি মাতা হৈছিল। কিন্তু আঁহজৰত (ছাঃ) ৰ মৰম এই বিশ্বাসী খাদিমৰ প্ৰতি অকণো কম হোৱা নাছিল। বৰং দিনক দিনে এয়া বাঢ়িহে গৈছিল। তেনেকৈ হজৰত জায়েদ (ৰাঃ) ৰ মৃত্যুৰ পিছত জায়েদ (ৰাঃ) ৰ পুত্ৰ আছামা বিন জায়েদৰ প্ৰতিও ভাল পোৱা একেদৰেই আছিল। হজৰত জায়েদ (ৰাঃ) ৰ বিশেষত্বৰ মাজত এটা বিশেষত্ব এয়া আছিল যে সকলো চাহাবৰ মাজত কেৱল তেখেতৰ নাম কোৰ-আন কৰিমত উল্লেখ আছে। হজৰত জবিলা, যিজন হজৰত জায়েদৰ ডাঙৰ ভাই আছিল। এখেআতেক এবাৰ প্ৰশ্ন কৰা হৈছিল যে আপোনালোক দুয়োৰে মাজত কোনে ডাঙৰ? তেতিয়া জবিলা কৈছিল জায়েদ মোতকৈ ডাঙৰ যদিওঁ তেওঁতকৈ মই আগত জন্মগ্ৰহন কৰিছো। এনেকৈয়ে কোবাৰ অৰ্থ হল হজৰত জায়েদ (ৰাঃ) য়ে আগতে আৰু জবিলা (ৰাঃ) পিছত ইছলাম গ্ৰহন কৰিছিল। যাৰ বাবে জায়েদক ডাঙৰ অৰ্থ্যাৎ শ্ৰেষ্ঠ বুলি কৈছে।হজৰত বৰাআ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ) য়ে হজৰত জায়েদক কৈছিল -(আনতা ইখোৱানা ওয়া মাওলানা) অৰ্থ্যাৎ তুমি আমাৰ ভাই আৰু আমাৰ বন্ধু।হজৰত মুচলেহ মাওউদ (ৰাঃ) বৰ্ণনা কৰিছে যে চাৰিজন মানুহ, যিসকলে আটাইতকৈ বেছি আঁহজৰত (ছাঃ) ৰ সংগ লাভৰ সৌভাগ্য লাভ কৰিছিল, সেই চাৰিজন লোক আছিল-হজৰত খাদিজা (ৰাঃ) (তেখেত ছাঃ ৰ পত্নী) হজৰত আলী (ৰাঃ)ত তেখেত ছাঃ ৰ খুৰাত ভাই) হজৰত জায়েদ ৰাঃ(তেখেত ছাঃ ৰ মুক্তি দিয়া দাস) হজৰত আবু বক্কৰ ৰাঃ (তেখেত ছাঃ ৰ বিশিষ্ট বন্ধু)। উক্ত লোক সকলৰ ঈমান সেই সময়ত এটাই দলিল (প্ৰমান) ৰ ওপৰত প্ৰতিষ্ঠিত হৈছিল যে আঁহজৰত (ছাঃ) য়ে মিছা কথা নকয়।তায়েফ ভ্ৰমনত হজৰত জায়েদ (ৰাঃ) আঁহজৰত (ছাঃ)ৰ লগত গৈছিল। তেতিয়া তায়েফত কবিলা ছকিফৰ লোক সকলে বসবাস কৰিছিল। হজৰত আবু তালিবৰ মৃত্যুৰ পিছত কুৰাইছ সকলে আকৌ ৰছুলে কৰিম (ছাঃ) ৰ ওপৰত নিৰ্যাতন কৰা আৰম্ভ কৰিছিল তেতিয়া তেখেত (ছাঃ) য়ে হজৰত জায়েদ বিন হাৰছা (ৰাঃ) ক লগতলৈ তায়েফ চহৰলৈ গৈছিল। এয়া হল ১০নৱবীৰ ঘটনা। তেখেত (ছাঃ) ১০ দিন মান তায়েফত থাকিছিল, আৰু তায়েফৰ সকলো নেতৃত্ববৰ্গৰ ওচৰত গৈছিল কিন্তু কোনেও তেখেত (ছাঃ) ৰ এই আমন্ত্ৰণ গ্ৰহন কৰা নাছিল। যেতিয়া সেই চৰদাৰ আৰু নেতৃত্ববৰ্গই সন্দেহ কৰিছিল যে তেওঁলোকৰ ডেকাচামে আঁহজৰত (ছাঃ) ৰ এই আমন্ত্ৰণ (ইছলামলৈ) গ্ৰহন কৰি লব পাৰে তেতিয়া তেওঁলোকে কৈছিল তেতিয়া তেওঁলোকে কৈছিল হে মহম্মদ (ছাঃ) তুমি আমাৰ নগৰৰ পৰা গুচি যোৱা আৰু তাতে গৈ থাকক যত তোমাৰ এই আমন্ত্ৰণ গ্ৰহন কৰি লৈছে। ইয়াৰ পিছত তায়েফৰ এই নেতৃবৰ্গই উদণ্ড কিছুমান লোকক তেখেত (ছাঃ( ৰ বিৰুদ্ধে উচটনি দি তেখেত (ছাঃ) ক প্ৰহাৰ কৰিবলৈ ইংগিত দিছিল। তেতিয়া সেইস লোক সকলে তেখেত (ছাঃ) ৰ ওপৰত পাথৰ মাৰিবলৈ তেতিয়া সেইস লোক সকলে তেখেত (ছাঃ) ৰ ওপৰত পাথৰ মাৰিবলৈ আৰম্ভ কৰিছিল আৰু আঘাতত তেখেত (ছাঃ) ৰ দেহৰ মাজেৰে তেজ বৈ ভৰি পাইছিলগৈ। বাকীখিনি আগৰ খোতবা জুমাত উল্লেখ কৰা হব। ইনশা আল্লাহ

**********

To
**Assamese Khulasa Khutba Jumma Huzoor Anwar 7JUNE.. 2019**

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**